**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 19-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ কলাগুৰু বিষ্ণুৰাভা দিৱস উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰে বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক কাইলৈ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰিব। নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হ'ব।

ooooo

নলবাৰী জিলাৰ মুকালমুৱাত ব্ৰহ্মপুত্ৰত আজি সংঘটিত নাও দুৰ্ঘটনাত দুজন ছাত্ৰসহ তিনিজন লোক সন্ধানহীন হৈ আছে। মুকালমুৱাৰ পেৰাধৰা ঘাটত আজি এই দুৰ্ঘটনাটো সংঘটিত হয়। নাওখনত কমেও ৩৫ গৰাকী যাত্ৰী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। এছ ডি আৰ এফৰ দলে উদ্ধাৰ অভিযান চলাই এতিয়ালৈকে এজনোৰো সন্ধান উলিয়াব পৰা নাই। এছ ডি আৰ এফে কাইলৈ পুনৰ অভিযান আৰম্ভ কৰিব। অভ্যন্তৰীণ জল পৰিবহন বিভাগে নাও দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটন কৰাৰ বাবে তদন্তৰ নিৰ্দেশ দিছে। নলবাৰীৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে প্ৰকাশ কৰা মতে দুৰ্ঘটনাত পতিত নাওখনত কিছু বিসংগতি ধৰা পৰিছে। ব্ৰহ্মপুত্ৰত চলাচল কৰা এই নাওখন এটা ইঞ্জিনযুক্ত আছিল।

ooooo

ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান আই আই টি গুৱাহাটীৰ বিজ্ঞানীৰ এটা দলে ২০ টকাৰ বিনিময়ত এহেজাৰ লিটাৰ ফ্লু'ৰাইড বিহীন পানী যোগান ধৰিব পৰা প্ৰযুক্তি উদ্ভাৱন কৰিছে। এই প্ৰযুক্তিৰ জৰিয়তে মাত্ৰ ২০ টকা খৰচত এহেজাৰ লিটাৰ পানী বিশুদ্ধ কৰিব পৰা যায়। এই প্ৰযুক্তিৰ বাবে অতি কম নিৰীক্ষণ আৰু ইয়াৰ আনুমানিক আয়ুষ ১৫ বছৰ। ৰাজ্যৰ গ্ৰামাঞ্চলত আৰ্চেনিক আৰু ফ্লু'ৰাইড বিহীন খোৱাপানী যোগানৰ বাবে বিকশাই তোলা এই প্ৰযুক্তিয়ে দেশৰ আন ৰাজ্যৰ গ্ৰামাঞ্চলৰ জনসাধাৰণক দুখিত পানীৰ পৰা ৰক্ষা কৰাত সহায় কৰিব।

ooooo

বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি কাছাৰ জিলাৰ কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ ওপৰৰ ভাঙি পৰা দলংখন পৰিদৰ্শন কৰে। তেওঁ ৰাইজৰ সুবিধাৰ্থে তাৎক্ষণিকভাৱে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ কয়, যে দলংখন কেনেদৰে ভাঙি পৰিল আৰু কিয় এনে ধৰণৰ ঘটনা সংঘটিত হ'ল এই বিষয়ে জানিবলৈ দণ্ডাধীশ পৰ্যায়ৰ সমিতি গঠন কৰা হৈছে। দোষীসকলক কঠোৰ শাস্তি বিহা হ'ব বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে দলংখন ভাঙি পৰাৰ ফলত যাতে জনসাধাৰণ কোনো অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে বিকল্প পথৰ মেৰামতিৰ বাবে মুখ্যমন্ত্ৰীয়ে দুই কোটি টকাত অনুমোদন দিছে। বিকল্প পথটোৰ কাম শীঘ্ৰে আৰম্ভ হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ইপিনে দলং ভাঙি পৰাৰ গোচৰ সন্দৰ্ভত পাঁচজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত পাঁচজনৰ ভিতৰত তিনিজন কেন্দ্ৰীয় ৰে-বেইব্ৰিজৰ কৰ্মী আৰু দুজন হাৰিয়ানাৰ ভাৰত ইলেকট্ৰনিক্স ৰে-ব্ৰিজৰ কৰ্মচাৰী।

00000

জিলা সমাজ কল্যাণ বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত নিচামুক্তি ভাৰত অভিযানৰ সৈতে সংগতি ৰাখি বিশ্বনাথত আজি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্তগৰাকীয়ে সজাগতা ৰেলীৰ ফ্লেগ অফ কৰে। অভিযানৰ সৈতে সংগতি ৰাখি আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত এখনি সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। অনাগত সময়ত জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু সামাজিক স্থানত নিচামুক্ত ভাৰত গঢ়াৰ লক্ষ্যৰে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে।

00000

কামৰূপ জিলা প্ৰশাসন আৰু জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আজি জিলাখনৰ ৩ হাজাৰৰো অধিক অংগনবাড়ী কৰ্মীক স্মাৰ্ট ফোন বিতৰণ কৰা হয়। আমিনগাঁৱৰ বায়োটেক পাৰ্কত অনুষ্ঠিত এই কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশ লয়। স্মাৰ্ট ফোনে অংগনবাড়ী কৰ্মীসকলৰ  কাম বহুখিনি সহজ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

00000

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া এছ'চিয়েচনৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কাকতিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

00000

সমাপ্ত